# নীলমণি ফুকনৰ কবিতা ঃ আস্বাদনৰ প্ৰয়াস

**ডঃ চিত্ৰজিৎ শইকীয়া**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
দুলীয়াজান মহাবিদ্যালয়, দুলীয়াজান - ৭৮৬ ৬০২

একাধাৰে কবি, নিবন্ধকাৰ, অনুবাদক, সম্পাদক নীলমণি ফুকন অসমীয়া সাহিত্যৰ এজন আগশাৰীৰ মহীৰুহ। পঞ্চাশৰ দশকতে কবিতা ৰচনাৰে অসমীয়া সাহিত্য জগতত আত্মপ্ৰকাশ কৰা নীলমণি ফুকন পিছলৈ এগৰাকী সফল আধুনিক কবি হিচাপে প্ৰতিষ্ঠিত হয়। সুকীয়া শব্দ-চয়ন, প্ৰতীক-চিত্ৰকল্পৰ নৱ-বিন্যাস আৰু জীৱনৰ অন্তৰ্মুখিন মননশীলতাই প্ৰথমাৱস্থাত ফুকনৰ কবিতাক সাধাৰণ পাঠকৰ বাবে দুৰূহ কৰি তুলিছিল যদিও পৰবৰ্তী সময়ত হোৱা তেওঁৰ কবিতাৰ ব্যাপক বিচাৰ-বিশ্লেষণে পাঠকৰ কবিগৰাকীৰ কবিতা সম্পৰ্কীয় ধ্যান-ধাৰণালৈ পৰিবৰ্তন আনে। ফুকনৰ কবিতাত কাব্যমোদীসকলে বিচাৰি পাবলৈ সক্ষম হয় একধৰণৰ অভিনৱত্ব — সেই অভিনৱত্ব বিষয়, ভাব, ৰূপ, ৰস — সৰ্বতোপ্ৰকাৰৰ। উল্লেখ্য যে, ১৯৫৬ চনতে মহেন্দ্ৰ বৰা সম্পাদিত 'নতুন কবিতা'ত ফুকনৰ কবিতাই স্থান লাভ কৰাটো আছিল তেওঁৰ কাব্যজীৱনৰ এক বিৰল পৰিঘটনা। অৱশ্যে মহেন্দ্ৰ বৰাই তেওঁক নিৰ্জনতাৰ উপকণ্ঠত অৱস্থান কৰা নিৰ্জনাতীতৰ কবি বুলিহে অভিহিত কৰিছিল। সংবেদনশীলতা অবিহনে ফুকনৰ কবিতা বুজা যে সম্ভৱ নহয় সেই কথাও বৰাই তাহানিতে উনুকিয়াইছিল। তথাপি মহেন্দ্ৰ বৰাৰ নিৰ্বাচনত নীলমণি ফুকনৰ কবিতাই স্থান পোৱা কথাটোৱে কবিগৰাকীক যে সাংঘাতিকধৰণে অনুপ্ৰাণিত কৰিছিল সেই কথা নিশ্চিত।

পাবলো নেৰুদাৰ কবিতা সম্পৰ্কীয় মন্তব্য 'Inner calling in Man' নীলমণি ফুকনৰো পছন্দৰ মন্তব্য বুলি কবিগৰাকীয়ে এটি সাক্ষাৎকাৰত উল্লেখ কৰিছিল। সত্য আৰু অভিজ্ঞতাৰ নিৰ্মোহ সন্ধান আৰু সঞ্চয়ন, প্ৰচুৰ মানসিক অভিজ্ঞতা, তীব্ৰ কল্পনা-শক্তি, শিল্প-চেতনা, ভাষা-জ্ঞান, উচ্চমানৰ ৰুচি আৰু ৰসবোধেহে ভাল কবিতা সৃষ্টি কৰিব পাৰে বুলি কবিগৰাকীয়ে বিশ্বাস কৰে। এইবোৰৰ অভাৱে যুদ্ধোত্তৰ অসমীয়া কবিতাৰ পৰিসৰ আজিও সংকীৰ্ণ কৰি ৰখা বুলি কবিগৰাকীয়ে 'কুৰি শতিকাৰ অসমীয়া কবিতা' শীৰ্ষক গ্ৰন্থৰ পাতনিত আক্ষেপ কৰিছে। অৱশ্যে নীলমণি ফুকনৰ কবিতাত কিন্তু সমালোচকসকলে বহু বিশেষত্বই বিচাৰি পাইছে। হীৰেন্দ্ৰনাথ দত্তই তেওঁৰ কবিতাত বিচাৰি পাইছে এটি 'tragic sense'[১]; হৰেকৃষ্ণ ডেকাই তেওঁৰ কবিতাত দেখিছে 'বহুমুখী ব্যঞ্জনা'[২], ডেকাই লগতে তেওঁৰ কবিতাত অনুভৱ কৰিছে 'ভাস্কৰ্য আৰু চিত্ৰকল্পৰ নান্দনিক ৰস'[৩]; হীৰেন গোহাঁয়ে ফুকনৰ বহু সফল সৃষ্টিৰ প্ৰেৰণা 'স্বপ্নভংগৰ বিষাদ, পৰাস্ত আকাংক্ষাৰ গ্লানি'[৪] বুলি অভিহিত কৰিছে; প্ৰাদ কুমাৰ বৰুৱাৰ বিচাৰত ফুকনৰ কবিতা ঐশ্বৰ্যশালী হোৱাৰ কাৰণ হৈছে 'বোধ, বুদ্ধি আৰু বুদ্ধিনিষ্ঠ মননশীলতা'[৫]। নীলমণি ফুকনৰ কবিতা সম্পৰ্কীয় এনেধৰণৰ অলেখ নিৰ্বচন আছে, যিবোৰে

কবিগৰাকীৰ কবিতাৰ ব্যাপ্তি, গুৰুত্ব আৰু শিল্পগুণক স্বীকৃতি প্ৰদান কৰিছে আৰু তেওঁৰ কবিতাক ইতিমধ্যেই এক সুকীয়া মৰ্যাদা প্ৰদানেৰে একক স্থানত অধিষ্ঠিত কৰিছে।

আমাৰ বিচাৰত নীলমণি ফুকন সাম্প্ৰতিক আধুনিক অসমীয়া কবিতাৰ এজন শীৰ্ষস্থানীয় কবি। বুদ্ধিদীপ্ত চিত্ৰময়তাৰে পৰিপূৰ্ণ ফুকনৰ কবিতাত নিৰ্জনাতীত জগতৰ আহ্বান এটি সুৰৰ লহৰ হৈ বিয়পি আছে। ফুকনৰ কবিতাৰ যি ভাৱবস্তু সি অত্যন্ত প্ৰতীকি ভাষাৰে পৰিপূৰ্ণ, যাৰ বাবে সেইবোৰ সাধাৰণ পাঠকৰ সহজ বোধগম্য নহয়। অথচ চিত্ৰ নিৰ্মাণৰ অভূতপূৰ্ব ক্ষমতা থকাৰ বাবে ফুকনৰ কবিতাত এক প্ৰাণময়তা সততে বৰ্তমান।

কবিতাই পাঠকৰ মন অনুভৱেৰে ভৰাই পেলায়। নীলমণি ফুকনৰ কবিতা পঢ়িলে কি অনুভৱ হয়? তাৰ উত্তৰত ক'ব পাৰি ফুকনৰ কবিতাত সাগৰৰ দৰেই দৃশ্য আৰু ভাৱৰ অপাৰ বৈচিত্ৰ্য, কল্পনাৰ বিস্ময়কৰ বিস্তাৰ, দূৰ দিগন্তৰ লগত এক নিবিড় অন্তৰঙ্গতা আৰু অটল গৰ্ভত লুকাই থকা এক অনিৰ্বচনীয় ৰহস্য অনুভৱ কৰিব পাৰি। এই অনুভৱৰ সত্তা সাগৰৰ দৰেই নৈসৰ্গিক, অথচ কালাতিকান্ত। আচলতে ফুকনে তেওঁৰ কবিতাত প্ৰতীকৰ সহায়ত জীৱন-মৃত্যুৰ ৰহস্যময় চিৰন্তন সত্যৰ সন্ধান কৰিছে। নীলমণি ফুকনৰ কবিতাৰ মাজত বৰষুণ, মাছ, পানী, কলপাত, আকাশ, চৰাই, সূৰ্যোদয়, বনজুই আতি প্ৰতীকসমূহে বিভিন্ন ৰূপত আত্মপ্ৰকাশ কৰিছে। এইখিনিতে ইউৰোপ মহাদেশীয় প্ৰতীকি কাব্যাদৰ্শই কবিজনাক বিশেষভাৱে আকৃষ্ট কৰা বুলি কবিজনাই নিজে কৰা স্বীকাৰোক্তি বিশেষ প্ৰণিধানযোগ্য।

নিঃসঙ্গ অস্তিত্ববোধ ফুকনৰ কবিতাৰ প্ৰধান উপলব্ধি। গভীৰ অন্তৰ্ভেদী অৱলোকন তেওঁৰ কবিতাৰ ঘাই বিশেষত্ব। কেতিয়াবা নিজক হেৰুৱাই কবিয়ে নিজকে সোধে —

য'তেই আছোঁ
সাৰে আছোঁ নে
কিমান বাৰু সাৰে আছোঁ
জীয়াই আছোঁ নে
কিমান বাৰু জীয়াই আছোঁ
ক'ত আছোঁ    *(ক'ত আছোঁ)*

জীৱন তথা জগতৰ অস্তিত্ব উপলব্ধিৰ চেতনাই ফুকনৰ কবিতাক অৰ্থবহ কৰি তোলে। তলৰ কবিতাফাঁকি কবিৰ নিঃসঙ্গ অস্তিত্ববোধৰ সাৰ্থক উদাহৰণ —

এই যেন প্ৰথম শুনিলো
ইমান নিজান
... ক'ৰে নাৱৰীয়া তই
থৰ হ'ল মন মোৰ
বন-জুয়ে আধাপোৰা
*থেৰেজু পাতত (এইযেন প্ৰথম শুনিলোঁ)*

"নীলমণি ফুকন আধুনিক অসমীয়া কবিতাৰ প্ৰধান চিত্ৰকল্পবাদী কবি। চিত্ৰকল্পৰ অৰ্থ, ইংগিত, ব্যঞ্জনাই তেওঁৰ কবিতা বাবে তেওঁ এগৰাকী প্ৰধান প্ৰতীকবাদী কবি।"[৬] তেখেতৰ প্ৰতিটো কবিতাই একোখন ছবিৰ দৰে। কবিতাৰ অন্তৰ্নিহিত ভাব আৰু সেই ভাবত আৰোপিত চিত্ৰকল্পই ফুকনৰ কবিতা ব্যঞ্জনাময় কৰি তোলে। প্ৰতিটো কবিতাই যেন এখন স্থিৰচিত্ৰ হৈ পঢ়ুৱৈৰ চকুত ভাহি থাকিবলৈ সক্ষম হয়। বহুসময়ত তেওঁৰ কবিতাত প্ৰতীক আৰু চিত্ৰকল্প ইটো-সিটোৰ পৰিপূৰক হৈ পৰিছে। তলৰ কবিতাশাৰীলৈ লক্ষ্য কৰিলেই এই কথা সঁচা প্ৰমাণিত হয় —

হে হৃদয়ৰ ভগা ডালত ওলমি থকা
গোলাপী জামুৰ লগ্নহু

'ওলমি থকা গোলাপী জামুৰ লগ্ন' শীৰ্ষক কবিতাটোৰ উল্লিখিত পংক্তিটোত 'হৃদয়ৰ ভগা ডাল' প্ৰতীকৰূপে ব্যৱহৃত হৈছে যদিও গোটেই পংক্তিটোৱে এখন চিত্ৰকল্পহে আমাৰ চকুৰ আগত দাঙি ধৰে। পাঠকে অনুমান নকৰাকৈ নাথাকে কবিয়ে যে এখন ভগ্নপ্ৰায় সমাজৰ কথাহে কৈছে। "'ওলমি থকা গোলাপী জামুৰ লগ্ন' প্ৰতীকবাদী কবিতা। পূৰাকৈ পাহি মেলা সচেতন চিন্তাৰ কবিতা নহয়, অচেতন-অৱচেতনৰ ফুলো-নুফুলোকৈ ফুলিব খোজা, উক্তি-শূন্য, ইংগিতবহ, অভিব্যঞ্জনাৰ কবিতা।"[৭] সেইদৰে 'কেতেকী চৰাইৰ মাতৰ দৰে গোন্ধায় জোনাক', 'পাৰ এযোৰে চোতালত খুদকণ বুটলিছে', 'কান্ধত মোৰ এখন চেঁচা হাত', 'পিন্ধনে জেতুকা তই ফাটি যোৱা কলিজাত' ইত্যাদি শব্দমালাই একোখন প্ৰতীকি ছবি হৈ মনৰ মাজত তোলপাৰ লগায়, মুগ্ধ কৰে। কবিগৰাকীৰ কবিতাৰ 'ইমেজ'ৰ বিষয়ে তেখেতে নিজেই কৈছে —

> মোৰ কবিতা প্ৰধানতঃ ইমেজনিৰ্ভৰ। এই ইমেজ অভিধান চাই আনিব নোৱাৰি, আপোনা-আপুনি অভিজ্ঞতাৰপৰাই আহে। মোৰ ক্ষেত্ৰত, ইমেজৰ পৰা কবিতাৰ ভাবৰ সৃষ্টি। বহুতে ভুলকৈ ভাবে যে কবিতাৰ ভাবে ইমেজবোৰ অনা হয়। কিন্তু ই সম্পূৰ্ণ ভুল ধাৰণা।[৮]

নীলমণি ফুকনৰ কবিতাৰ চিত্ৰকল্পৰ আবেদন সুকীয়া। হৃদয়গ্ৰাহ্য এই আবেদনে পাঠকৰো ভাবনাৰ দিগন্ত প্ৰসাৰিত কৰে। এইখিনিতে কবিগৰাকীৰ সাৰ্থকতা।

আনহাতে, কবিজনাৰ কবিতাত সততে চকুত পৰা আন এটা বিশেষত্ব হৈছে উত্তৰ-প্ৰতীকবাদী কাব্যৰীতিৰ আৰ্হিৰে প্ৰতীকবাদী আংগিকৰ প্ৰয়োগ হোৱাটো। নীলমণি ফুকনৰ কবিতা বুজিবলৈ ফৰাচী প্ৰতীকি কাব্যজ্ঞানৰ লগতে জাপানী, চীনা কবিতাৰ ধাৰণা এটিও যে প্ৰয়োজন হয় সেই কথা অস্বীকাৰ কৰিব নোৱাৰি। অসমীয়া কাব্যমোদীসকলৰ অন্তৰত ফুকনেই প্ৰথমে জাপানী কবিতাৰ প্ৰতি আকৰ্ষণ দৃঢ় কৰি তোলে। ফুকনৰ বহু কবিতাত হাইকু কবিতাৰ প্ৰভাৱ লক্ষণীয়। যেনে —

এই যেন প্ৰথম শুনিলোঁ সেই মাত
ইমান নিজান
নিজৰে মাতত *(এই যেন প্ৰথম শুনিলোঁ)*

আকৌ —

কি ফুলৰ গোন্ধ
বতাহত জুইৰ দৰে
জ্বলে *(কি ফুলৰ গোন্ধ)*

লোকজীৱনৰ চিত্ৰ নীলমণি ফুকনৰ কবিতাৰ আন এক বিশেষত্ব। চিত্ৰকল্প সৃষ্টিৰ বাবে তেওঁ বহু সময়ত লোক জীৱনৰ ওচৰ চাপিছে। মৌখিকভাৱে শৈশৱতে এক বৰ্ণাঢ্য গ্ৰাম্য পৰিৱেশত লোক সাহিত্যৰ লগত পৰিচয় হোৱা কবিজনাৰ বাবে পৰৱৰ্তী সময়ত সেইবোৰেই কাব্য জীৱনৰ প্ৰেৰণাস্বৰূপ হৈ পৰে। 'কবিতা ভাষা শিল্প, জীৱন শিল্পও' শীৰ্ষক লেখাত কবিগৰাকীয়ে নিজেই কৈছে এনেদৰে —

> অসমৰ স্নিগ্ধ শ্যামল প্ৰকৃতিৰ মাজত মোৰ জন্ম নোহোৱা হ'লে, গাঁৱৰ গীত-মাত উছৱ-পাৰ্বণ, নৃত্য-কলাৰ মাজেদি মোৰ শৈশৱ অতিবাহিত নোহোৱা হ'লে, মোৰ দেশ আৰু বিদেশৰ মৃত আৰু জীৱিত কবি আৰু শিল্পীসকল নোহোৱা হ'লে, কবিতা মই লিখিব নোৱাৰিলোহেঁতেন।

পৰিণতিস্বৰূপে আমি ফুকনৰ কবিতাৰ মোহনীয় চিত্ৰকল্পবোৰত লোকজীৱন বিচাৰি পাওঁ। 'মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি' আৰু 'চপৰা চপৰে খহে প্ৰাণ' কবিতা দুটাৰ নিম্নলিখিত স্তৱককেইটালৈ লক্ষ্য কৰিলেই এই কথা সহজে প্ৰতীয়মান হয় —

মুঠি মুঠিকৈ কাটি তোৰ ঢেঁকীয়াৰ আঙুলি
আজৰাৰ আন্ধাৰত তয়ে বেচ
... ... ... ... ...
যুৰীয়া শিমলুৰ
ডালত ওলমি দিন ৰাতি
এজাক কাউৰী আহি
দুচকু ধৰে ছানি
ক'লৈ গ'ল গৰখীয়া ল'ৰাহঁত
বকুল সৰা ৰাতিপুৱা এটা

আনহাতে, লোকগীতৰ দুই-এক শাৰীয়েও ন-ৰূপেৰে বিভূষিত হৈ ফুকনৰ কবিতাত ৰহন চৰাইছে। 'দূৰৈৰ জুইকুৰা যেতিয়া' নামৰ কবিতাত —

দিখৌত গড়াত উঠি কোনোবাই ৰিঙিয়াই
এইপিনে গৈ থাকা এইপিনে গৈ থাকা

— এই শেষৰ শাৰীটোক অসমৰ চহা গীত — চেনীমাই ঐ চেনীমাই ঐ / শহুৰৰ ঘৰলৈ কেনি যায় ঐ/ গৈ থাকা, গৈ থাকা / পাবাগৈ বাট — এই শব্দাংশই প্ৰভাৱিত কৰিছে। সেইদৰে 'এখন স্নিগ্ধ উদ্যান পাৰ হৈ আহিলোঁ যেন' শীৰ্ষক কবিতাত থকা 'ৰণত হেৰোৱা মোৰ ঘোঁৰা কদমত' — এই বাক্যাংশৰ বিষয়ে কবিগৰাকীয়ে এঠাইত এইদৰে কৈছে —

> 'ৰণত হেৰোৱা মোৰ ঘোঁৰা' শাৰীটো 'লিহিৰি বনতে হাতী হেৰুৱালোঁ, ঘোঁৰা হেৰুৱালোঁ ৰণত' এই লোকগীতফাঁকিৰেই প্ৰতিধ্বনি পাক লৈ পাক লৈ আহিছে।[৯]

প্ৰতিনিয়ত মনৰ অন্তৰ্স্থলত আৰু প্ৰৱাহিত তেজত চহা জীৱনৰ অনুভৱ কঢ়িয়াই লৈ ফুৰা কবিৰ কবিতাত চহা গীত-মাতৰ ভাব-সুৰে ঘৰ সাজি বহে। উপেন্দ্ৰ নাথ শৰ্মাই এই প্ৰসংগত কৈছে —

> অসমীয়া লোকগীতৰ লগত য়ুৰোপৰ প্ৰতীকবাদী আৰু উত্তৰ প্ৰতীকবাদীসকলৰ ব্যঞ্জনা সংমিশ্ৰিত হোৱাত তেখেতৰ কাব্যিক বক্তব্যই মনোৰম আংগিকগত অবয়ব ধাৰণ কৰিছে।[১০]

"ফুকন মূলতঃ নিসৰ্গৰ কবি। মানৱীয় সকলো ভাব-অনুভূতিৰ লগত প্ৰকৃতিৰ ঐশ্বৰ্যময় বিভিন্নতাক একত্ৰ কৰাৰ প্ৰয়াসে তেওঁৰ ভালেখিনি কবিতাক চিহ্নিত কৰিছে।"[১১] নৈসৰ্গিক জগতৰ প্ৰতি থকা আত্মীয়তা তথা প্ৰত্যয়ে ফুকনৰ কাব্যচেতনাক স্পন্দিত কৰিছে। কেতিয়াবা যদি প্ৰকৃতিয়ে তেখেতৰ কবিতাত ছাঁ হৈ সংগ দিছে, কেতিয়াবা আকৌ আশ্ৰয়দাতাৰূপে নাৰীত্বক সুৰক্ষা প্ৰদান কৰিছে। যথা —

ৰাতিৰ বৃন্দাবনৰ মাজেৰে
গৈ আছোঁ

জোনাকত ছাঁ এটা হৈ তিৰোতা এজনী
মোৰ লগে লগে গৈ আছে   *(ৰাতিৰ বৃন্দাবনৰ মাজেৰে)*

আকৌ —

আঁহত গছ এজোপাৰ তলত
তাই তেতিয়া
নাঙঠ হৈ শুই আছিল   *(আৰু এদিন দুপৰীয়া)*

নীলমণি ফুকনৰ কবিতাত প্ৰয়োগ হোৱা চিত্ৰকল্পই এটা বিষাদবোধো কঢ়িয়াই আনে। 'কিন্‌কিন হেঙুলীয়াৰ মাজত' নামৰ কবিতাত ফুকনে 'চকুপানী'ৰ চিত্ৰকল্প আঁকিছে এনেদৰে —

নঙঠা ছোৱালীজনীৰ টোপনিৰ
কিবা নাম এটা তই —
কাৰ হাতত পেলাৰ কলি

ধান এইবাৰো নপকিল
তোৰহে চকুৰ পতাত ৰং

নীলমণি ফুকনৰ কবিতাত কলা চেতনাৰ আৱেশো অনুভূত নোহোৱাকৈ নাথাকে। কিছুমান কবিতাত তেওঁ চিন্তা জগতৰ পৰিধি ভাঙি হৃদয়লৈ সোমাই আহিছে। ‘চপৰা চপৰে খহে প্ৰাণ’ কবিতাত কবিজনাই কৈছে —

মেটেকা ফুল হৈ ফুলে
কাৰ হাত এইখনি
ক’ত আছোঁ মই
ক’ত আছে মোৰ গাঁৱৰ গোন্ধোৱা মাটি

নীলমণি ফুকনে তেখেতৰ বহুবোৰ কবিতা যিদৰে জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ আধাৰত ৰচনা কৰিছে, সেইদৰে কিছুমান কবিতা প্ৰাচ্য-পাশ্চাত্যৰ বিভিন্নজন কবি, সাহিত্যিক, চিত্ৰকৰ, সংগীতশিল্পীৰ কলাকৰ্ম প্ৰত্যক্ষ কৰিও ৰচনা কৰিবলৈ অনুপ্ৰাণিত হৈছে। স্পেনিচ ভাষাৰ কবি ফেডেৰিকো গাৰ্থিয়া লৰকা, চীনা ভাষাৰ কবি দাংযুগ, দুফু, জাপানী কবি বাচো, শ্লাকোশ্লোভিয়াৰ কবি ব্লাডিমাৰ হোলান, ফৰাচী চিত্ৰকৰ পল চেজান, ৰাছিয়াৰ চিত্ৰশিল্পী মাৰ্ক চাগাল, বিশ্ববিখ্যাত চিত্ৰকৰ লিঅ’নাৰ্ড-ডা-ভিন্সি, ভিনচেণ্ট ভেন গঁঘ, অমৃতা ছেৰগীল, সমীৰণ বেজবৰুৱা, নীলপৱন বৰুৱা, ভাৰতীয় ভাস্কৰ্যশিল্পী ৰামকিংকৰ বেইজ, সংগীত শিল্পী ওস্তাদ আমীৰ খাঁ, জ্যোতিপ্ৰসাদ আগৰৱালা আদি বিভিন্নজন বৰেণ্য ব্যক্তিৰ কলাকৰ্মই বহু সময়ত কবি নীলমণি ফুকনৰ কবিতাৰ নেপথ্যৰ উৎস হৈ ধৰা দিছে। দুটিমান উদাহৰণ দাঙি ধৰা হ’ল —

নাঙঠ হৈ থকা তোমাক মই দেখিছোঁ
চকু দুটা মুদি মই তোমাক চুমা খাওঁ —

*(নাঙঠ হৈ থকা তোমাক মই দেখিছোঁ)*

— কবিতাটোৰ প্ৰথম শাৰীটোত শ্লাকোশ্লোভিয়াৰ কবি ব্লাডিমাৰ হোলানৰ কবিতাৰ প্ৰতিধ্বনি আছে। সেইদৰে ‘তেতিয়াৰ পৰা আকাশত’ নামৰ কবিতাটিৰ শেষৰ স্তৱকটিত যথা —

তেতিয়াৰে পৰা আকাশত
এই কাউৰীবোৰ
কা কা কৰি মাতে
মোৰ বুকুৰ হাড়ত

— এই পংক্তিমালা ভিনচেণ্ট ভেন গঁঘৰ ‘ক্ৰ’জ অভাৰ দি হুইটফিল্ড’ ছবিৰ প্ৰভাৱেৰে অনুপ্ৰাণিত।

উপমাৰ মনোহাৰিত্ব ফুকনৰ কবিতাৰ অন্যতম সন্মোহন। আলফুল উপমাবোৰে তেখেতৰ কবিতালৈ বৈচিত্ৰ্য আনিছে। যেনে, ‘আলফুলকৈ দুহাতেৰে সাৱটি ধৰিছিলোঁ’ নামৰ কবিতাত আন্ধাৰৰ এটি উপমা অত্যন্ত চিত্তাকৰ্ষক —

কি আন্ধাৰ
মৰা মানুহৰ চকুবোৰৰ দৰে
জেটুলিপকা কাঁইটৰ দৰে।

তেনেদৰে ‘চলন্ত ৰে’লৰ চকাৰ দৰে মোৰ চকুৰ মণি’, ‘ৰঙা জবা ফুলৰ দৰে তাইৰ স্তন’, ‘বেলিৰ পোহৰৰ দৰে এমুঠি মাত’ ইত্যাদি উপমাৰ প্ৰয়োগে ফুকনৰ কবিতাক সুখপাঠ্য কৰি তুলিছে।

সংহত ভাব, সংক্ষিপ্ত ভাষা, ঘৰুৱা অথচ কাব্যময় শব্দচয়নৰ অপূৰ্ব বিন্যাস নীলমণি ফুকনৰ কবিতাৰ আপুৰুগীয়াৰ অলংকাৰ।

এনেদৰে বিচাৰ কৰি চালে দেখা যায় যে ফুকনৰ কবিতাত উপৰুৱা কাঠিন্য এটা আছে যদিও তাক অতিক্ৰম কৰিলে তেওঁৰ কবিতাত অনন্তৰ লগত সংযুক্ত মানৱ জীৱনৰ ৰূপ, সমাজ চেতনাৰ পৰোক্ষ ইংগিত আৰু জীৱনৰ অশুভ দিশ আদি নানা ভাবৰ প্ৰতিফলন দেখা যায়। তেওঁৰ বহু কবিতাত ব্যক্তিগত ব্যথা আৰু বেদনাও অনুৰণিত হৈছে। সমাজৰ কিছুমান ৰীতি আৰু প্ৰচলিত ৰূপৰ প্ৰতি তেওঁৰ মনত জগা অনীহা আৰু ক্ষোভৰ ইংগিতো বহু কবিতাত প্ৰস্ফুটিত হৈছে। “তেওঁৰ কাব্য পৰিক্ৰমাৰ প্ৰথম পৰ্বৰ প্ৰতীকি বিন্যাসৰ বিপৰীতে দ্বিতীয় পৰ্ব বলিষ্ঠ ব্যঞ্জনাৰে দীপ্ত। ধ্বংস-ক্ষয়ৰ বেদনা আৰু ক্ষোভৰ চিত্ৰবোৰ অধিক মৰ্মস্পৰ্শী হৈছে আৰু সেই বেদনাক জীৱনৰ অক্ষয় সৃষ্টিশীল আনন্দলৈ তেওঁ ৰূপান্তৰিত কৰিছে।”[১২]

সামগ্ৰিক বিচাৰত নীলমণি ফুকন এজন কাল সচেতন কবি। আধুনিক কবিতাৰ বিভিন্ন আংগিক তথা কলা-কৌশলৰ লগত পৰিচয় থকা বাবে কবিজনাৰ হাতত সৃষ্টি হোৱা প্ৰতিটো কবিতাৰ প্ৰতি পাঠকৰ আগ্ৰহ আগতকৈ বাঢ়িছেহে, কমা নাই। ই তেওঁৰ কবিতাৰ জনপ্ৰিয়তাকো সূচায়।

**প্ৰসংগ-সূত্ৰ ঃ**

১. হীৰেন্দ্ৰনাথ দত্ত, উদ্ধৃত, *‘নীলমণি ফুকনৰ কবিতা’*, পাতনি, নীলমণি ফুকনৰ সম্পূৰ্ণ কবিতা, আঁক-বাক সংস্কৰণ, আঁক-বাক, পাণবজাৰ, গুৱাহাটী, জানুৱাৰী, ২০১৩, পৃ. ৩৫

২. “নীলমণি ফুকনৰ কবিতা বহুমুখী ব্যঞ্জনাৰে সমৃদ্ধ।”
হৰেকৃষ্ণ ডেকা, *পাতনি*, নীলমণি ফুকনৰ সম্পূৰ্ণ কবিতা, উল্লিখিত, পৃ. ৪৪

৩. “তেখেতৰ একো একোটা কবিতা কেতিয়াবা আকাৰহীন বস্তুৰপৰা গঢ় লৈ উঠা ভাস্কৰ্য যেন লাগে। আধুনিক চিত্ৰশিল্পত বহু পৰিপ্ৰেক্ষিতৰ যুগপৎ ব্যৱহাৰ, বিমূৰ্ত ৰঙৰ মূৰ্ত অভিব্যক্তি, পৰিপূৰক ৰঙৰ সামঞ্জস্য, ক’লাজ আদিৰ সূক্ষ্ম প্ৰভাৱেও তেখেতৰ চিত্ৰকল্প নিৰ্মাণৰ পৰীক্ষাত সহায় কৰিছে। কিছুমান কবিতাৰ খণ্ড খণ্ড চিত্ৰকল্পৰ গতিশীল উপস্থাপনাক মন্তাজৰ দৰে লাগে।”
হৰেকৃষ্ণ ডেকা, উল্লিখিত, পৃ. ৩৯

৪. “স্বপ্নভংগৰ বিষাদ, পৰাস্ত আকাংক্ষাৰ গ্লানি ফুকনৰ বহু সফল সৃষ্টিৰ প্ৰেৰণা।”
হীৰেন গোহাঁই, *‘নীলমণি ফুকনৰ কবিতা’*, হীৰেন গোহাঁই ৰচনাৱলী, প্ৰথম খণ্ড - বিষয় ঃ সাহিত্য, শোণিত বিজয় দাস আৰু মুনীন বায়ন (সম্পা.), কথা প্ৰকাশন, গুৱাহাটী, প্ৰথম সংস্কৰণ, ২০০৯, পৃ. ৪৫৩

৫. “বোধ, বুদ্ধি আৰু বুদ্ধিনিষ্ঠ মননশীলতাৰ বাবেই ফুকনৰ কবিতা ঐশ্বৰ্যশালী।”
প্ৰাদ কুমাৰ বৰুৱা, *‘নীলমণি ফুকনৰ কবিতা ঃ এটি চমু সমীক্ষা’*, কবিতাৰ সৌৰভ, বনলতা, ডিব্ৰুগড়-১, দ্বিতীয় প্ৰকাশ, নৱেম্বৰ, ২০০৩, পৃ. ১১২

৬. আনন্দ বৰমুদৈ, *‘নীলমণি ফুকনৰ কবিতাত চিত্ৰকল্প’*, নিৰ্জনতাৰ পৰা কোলাহললৈ, নগেন ঠাকুৰ (সম্পা.), ষ্টুডেণ্টচ্‌ ষ্ট’ৰচ্‌, গুৱাহাটী, নৱেম্বৰ, ২০০৬, পৃ. ৭১

৭. কবীন ফুকন, *‘গোলাপী জামুৰ লগ্ন ৰহস্য’*, কবিতাৰ জুতি বিচাৰ, লয়াৰ্চ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ডিচেম্বৰ, ১৯৯৬, পৃ. ১২১

৮. নীলমণি ফুকন, *‘সাগৰ তলিৰ শংখ’*, মহীৰূহ (প্ৰথম খণ্ড), মণিমালা গগৈ, নিউজ লাইভ, খ্ৰীষ্টিয়ানবস্তি, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২১ জানুৱাৰি, ২০১০, পৃ. ৪১

৯. নীলমণি ফুকন, *নীলমণি ফুকনৰ কবিতাৰ নেপথ্য*, মৃদুল হালৈ (সম্পা.), আঁক-বাক, গুৱাহাটী, প্ৰথম প্ৰকাশ, নৱেম্বৰ, ২০১৬, পৃ. ৬৪

১০. উপেন্দ্ৰ নাথ শৰ্মা, *‘যোৱা কুৰি বছৰৰ অসমীয়া কবিতা’*, নিৰ্বাচিত প্ৰবন্ধ (প্ৰথম খণ্ড), জয়দেৱ শৰ্মা - ভৱানী দেৱী প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, চেপ্তেম্বৰ, ২০১০, পৃ. ২৬৩

১১. ৰঞ্জিৎ কুমাৰ দেৱ গোস্বামী, *‘নীলমণি ফুকনৰ কবিতা’*, প্ৰবন্ধ ২৯৭৩-২০১৫, লয়াৰ্চ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৫, পৃ. ২৮৪

১২. নলিনীধৰ ভট্টাচাৰ্য, *‘সজীৱ ধ্বনিময় বসন্তৰ কবি’*, নিৰ্জনতাৰ পৰা কোলাহললৈ, নগেন ঠাকুৰ (সম্পা.), ষ্টুডেণ্টচ্‌ ষ্ট’ৰচ্‌, গুৱাহাটী, নৱেম্বৰ, ২০০৬, পৃ. ০৪

**আলোচনাৰ উৎস গ্ৰন্থ ঃ**

নীলমণি ফুকনৰ সম্পূৰ্ণ কবিতা
আঁক-বাক সংস্কৰণ,
আঁক-বাক, পাণবজাৰ, গুৱাহাটী, জানুৱাৰী, ২০১৩